জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**নং ঃ ৬৩/২০২১**

# সদৌ অসম গোৰ্খা ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় প্ৰতিনিধি দলে সাক্ষাৎ কৰিলে মুখ্যমন্ত্ৰীক

## গোৰ্খাসকলৰ বিভিন্ন সমস্যা সম্পৰ্কত আলোচনা

**দিছপুৰ, ২৭ মে' ঃ** সদৌ অসম গোৰ্খা ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় প্ৰতিনিধি দলে আজি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক জনতা ভৱনস্থিত মুখ্যমন্ত্ৰীৰ সভাকক্ষত সাক্ষাৎ কৰি তেওঁলোকৰ সমস্যা সন্দৰ্ভত এক আলোচনাত মিলিত হয়। আলোচনাৰ সময়ত ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় প্ৰতিনিধি দলটোৱে তেওঁলোকৰ বিভিন্ন সমস্যা সম্পৰ্কত মুখ্যমন্ত্ৰীক অৱগত কৰে। বৈঠকত গোৰ্খাসকলৰ শৈক্ষিক সমস্যা, সাংস্কৃতিক ঐতিহ্য, বানপানী, গৰাখহনীয়াকে ধৰি সমস্যাসমূহ বিতংভাৱে আলোচনা কৰা হয়। অত্যন্ত সৌহাৰ্দপূৰ্ণ পৰিৱেশত অনুষ্ঠিত বৈঠকত মুখ্যমন্ত্ৰী ড° শৰ্মাই প্ৰতিনিধি দলটোৱে উত্থাপন কৰা বিষয়সমূহ ৰাজ্য চৰকাৰে সমাধান কৰাৰ প্ৰচেষ্টা চলাব বুলি আশ্বাস প্ৰদান কৰে।

আজিৰ এই বৈঠকত সদৌ অসম গোৰ্খা ছাত্ৰ সন্থাৰ উপদেষ্টা ড° খগেন শৰ্মা, বল্লভ ৰেগমি, সভাপতি অৰ্জুন চেত্ৰীকে ধৰি অন্যান্য বিষয়ববীয়াসকল উপস্থিত থাকে।

**পুঃডেঃ / বঃভাঃ**
**২৭/০৫/২০২১**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in